# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 22-02-2026
**Time :** 0755 Hrs.

# *Assamese Morning Bulletin*

০০০০০০০

গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰ্জাতিক বিমান বন্দৰৰ নতুন সংহত টাৰ্মিনেলৰ পৰা আজিৰে পৰা বাণিজ্যিক উৰণ আৰম্ভ হ'ব। আকাশ এয়াৰৰ এখন বিমান উৰণেৰে টাৰ্মিনেলটোৰ সেৱা মুকলি কৰা হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি ফেচবুক লাইভ যোগে এই কথা ঘোষণা কৰে। ড° শৰ্মাই কয়, যে স্থানীয় মানৱ সম্পদৰ পৰিশ্ৰমেৰে কপৌফুলৰ আৰ্হিত নিৰ্মিত এই টাৰ্মিনেল ভৱনটোৱে উত্তৰ-পূৰ্বাঞ্চল আৰু ইয়াৰ চৌপাশৰ অঞ্চলসমূহৰ প্ৰৱেশদ্বাৰ হিচাপে অসমৰ বৰ্ধিত ভূমিকাক প্ৰতিফলিত কৰে। অত্যাধুনিক আৰু যাত্ৰীৰ সা-সুবিধাৰে সু-সজ্জিত নতুন টাৰ্মিনেল ভৱনটোৰ দৃশ্য শ্বেয়াৰ কৰি ড° শৰ্মাই কয়, যে লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰ্জাতিক বিমান বন্দৰক বিমানৰ মেৰামতি, চাৰ্ভিচিং কৰাৰ অৰ্থে এম আৰ অ' কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ বাবে পদক্ষেপ লোৱা হৈছে। বিমান বন্দৰটোত বয়োজ্যেষ্ঠ লোকৰ সুবিধাৰ বাবে এলিভেটেড ৱাক্‌ৱে ব্যৱস্থা কৰা হৈছে বুলি তেওঁ জানিবলৈ দিয়ে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে গুৱাহাটীৰ চানমাৰি-নুনমাটি সংযোগী মহাৰাজ পৃথু উৰণ সেঁতুখন ১০ মাৰ্চত উদ্বোধন কৰা হ'ব বুলি প্ৰকাশ কৰে। সেইদিনাই পুৱাৰ ভাগত ৰাজ্যৰ ৪০ লাখ মহিলাৰ বেংক একাউণ্টত অৰুণোদয় আঁচনিৰ অধীনত ৯ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব। ডিফুৰ উৰণ সেঁতুখন ১১ মাৰ্চত মুকলি কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে সিদিনাই বিয়লিৰ ভাগত যোৰহাটত নিৰ্মাণ কৰা উৰণ সেঁতু আৰু যোৰহাট কাৰাগাৰৰ উদ্যানখন উদ্বোধন কৰা হ'ব বুলি প্ৰকাশ কৰে।

*-বাইট-*

০০০০০০০

বাংলাদেশত তাৰিক ৰহমানৰ নেতৃত্বত নতুন চৰকাৰে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত দেশখনৰ সৈতে ভাৰতৰ সম্পৰ্ক পুনৰ উন্নত হোৱাৰ দিশত আগবাঢ়িছে। বাংলাদেশে ভাৰতৰ ভিছা সেৱা আৰম্ভ কৰাৰ পাছত ত্ৰিপুৰাৰ আগৰতলাৰ পৰা ঢাকাহৈ কলকাতাক সংযোগ কৰা ৰয়েল মৈত্ৰী আন্তঃৰাষ্ট্ৰীয় বাছসেৱা কালি পৰীক্ষামূলকভাৱে আৰম্ভ কৰা হয়। এই বাছ সেৱা ২৪ ফেব্ৰুৱাৰীৰ পৰা আনুষ্ঠানিকভাৱে আৰম্ভ কৰা হ'ব। উল্লেখযোগ্য যে, বাংলাদেশত ছাত্ৰ আন্দোলনৰ ফলত তদানীন্তন প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাই ভাৰতত আশ্ৰয় গ্ৰহণ আৰু ইয়াৰ পাছত দেশখনত সৃষ্টি হোৱা পৰিস্থিতিৰ বাবে এই বাছসেৱা স্থগিত ৰখা হৈছিল। আন্তঃৰাষ্ট্ৰীয় বাছ সেৱা অপাৰেটৰৰ প্ৰৱন্ধক মনোৰঞ্জন দেৱনাথ প্ৰকাশ কৰা মতে, দুয়োখন দেশৰ মাজৰ বাছসেৱা বিষয়ক চুক্তি বাতিল নকৰাৰ পৰিপ্ৰেক্ষিতত মৈত্ৰী বাছসেৱা আৰম্ভ কৰাৰ বাবে পুনৰ অনুমতি লোৱাৰ প্ৰয়োজন নাই। ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী মানিক সাহাই বাছ সেৱা পুনৰ আৰম্ভ কৰাৰ বাবে লোৱা পদক্ষেপৰ প্ৰতি আদৰণি জনাইছে। তেওঁ কয়, যে বাংলাদেশত নিৰ্বাচিত চৰকাৰ গঠন হোৱাৰ পাছত এতিয়া অনিশ্চিয়তা আঁতৰিছে। দ্বিপাক্ষিক সম্পৰ্কৰ বাবে এয়া শুভ সংকেট বুলি তেওঁ মন্তব্য কৰে।

০০০০০০০

ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু নাহৰকটীয়া মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত তথা নাহৰকটীয়া মহাবিদ্যালয়ৰ মান নিৰূপন কোষৰ সহযোগত দিনজোৰা কাৰ্যসূচীৰে কালি আন্তৰ্জাতিক মাতৃভাষা দিৱস পালন কৰা হয়। অনুষ্ঠানত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাধ্যাপক ডং সুৰাসনা মহন্তই **অসমত বহুভাষিক শিক্ষা ঃ প্ৰত্যাশা, প্ৰত্যাহ্বান আৰু যুৱ প্ৰজন্মৰ ভূমিকা** শীৰ্ষক বিষয়ত ভাষণ দি ডং মহন্ত আৰু নাহৰকটীয়া মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড০ পৰেশ খনিকৰৰ সংকলন আৰু সম্পাদনাত নাহৰকটীয়াৰ বিভিন্ন ভাষা-ভাষিক লোকৰ শুভেচ্ছাবাণীৰে প্ৰস্তুত কৰা এখন তথ্য চিত্ৰ প্ৰদৰ্শন কৰা হয়। অনুষ্ঠানত ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু নাহৰকটীয়া মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ নিৰ্বাচিত ছগৰাকী আলোচকৰ অংশগ্ৰহণেৰে বিশেষ আলোচনা চক্ৰ অনুষ্ঠিত হয়।

পশ্চিম কাৰ্বি আংলং জিলা সাহিত্য সভাৰ উদ্যোগত কালি আন্তৰ্জাতিক মাতৃভাষা দিৱস পালন কৰা হয়। অনুষ্ঠানত কাৰ্বি ভাষা সাহিত্য সংস্কৃতিৰ অন্যতম কাণ্ডাৰী তথা কাৰ্বি লোক সংস্কৃতিৰ সাধক বলেশ্বৰ হানচেক সম্বৰ্ধনা জনোৱা হয়।

০০০০০০০

শ্ৰীভূমি জিলাৰ পাথাৰকান্দি বিধানসভা সমষ্টিৰ অন্তৰ্গত পাথাৰকান্দি মণ্ডল কাৰ্যালয়ত কালি মুখ্যমন্ত্ৰী ছাত্ৰ আৰু চিকিৎসা সাহায্য আঁচনিৰ অধীনত ১৪৮ গৰাকী ব্যক্তিৰ মাজত চেক বিতৰণ কৰা হয়। মন্ত্ৰী কৃষ্ণেন্দু পালে চেকসমূহ বিতৰণ কৰে। অনুষ্ঠানত দিয়া ভাষণত মুখ্যমন্ত্ৰীৰ এই আঁচনিয়ে বহু লোকক কঠিন সময়ত সহায় কৰি আহিছে বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

০০০০০০০

**সমাপ্ত**